# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। মণিপুৰৰ সাহায্য শিবিৰত থকা উভয় সম্প্ৰদায়ৰ লোকে সাম্প্ৰতিক পৰিস্থিতিৰ অৱসান ঘটাই শান্তিৰে বসবাস কৰাৰ বাবে ইচ্ছা প্ৰকাশ কৰা বুলি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি আৰ গৱাইয়ে প্ৰকাশ কৰিছে।

২। দিল্লী বিধানসভাৰ বাজেট অধিবেশন কাইলৈ আৰম্ভ হ'ব।

৩। দক্ষিণ কোৰিয়াৰ দক্ষিণ পূৱ অংশত বিধবংসী বনজুইয়ে ব্যাপক অঞ্চলত ধ্বংসলীলাৰ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে।

৪। হায়দৰাবাদত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে-ৰাজস্থান ৰয়েলছৰ সন্মুখত ২৮৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। *আৰু*

৫। খেলো ইণ্ডিয়া পেৰা ক্ৰীড়া প্ৰতিযোগিতাত শ্বুটিং শিতানৰ দহ মিটাৰ এয়াৰ ৰাইফল প্ৰন মিক্সড এছ এইচ ৱানত সাগৰ বালাচাহেব কাটালে সোণৰ পদক অৰ্জন কৰিছে।

০০০০০

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি আৰ গৱাইয়ে আজি কয় যে সাংবিধানিক উপায়েৰে সকলো সমস্যা সমাধান কৰিব পাৰি। ইম্ফলত মণিপুৰ উচ্চ ন্যায়ালয়ৰ দ্বাদশ বাৰ্ষিকী উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি ন্যায়াধীশগৰাকীয়ে আলোচনাৰ শক্তি সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি কয় যে সকলো পক্ষ আগবাঢ়ি আহিলে সমাধান সম্ভৱ হৈ উঠে। দুদিনীয়া কাৰ্যসূচীৰে মণিপুৰ ভ্ৰমণ কৰা উচ্চতম ন্যায়ালয়ৰ ৫ গৰাকী ন্যায়াধীশৰ দলটোক নেতৃত্ব দি তেওঁ গোষ্ঠীগত সংঘৰ্ষই প্ৰভাৱিত কৰা লোকসকলৰ সৈতে মত বিনিময় কৰাৰ পাছত নিজৰ মত প্ৰকাশ কৰে। তেওঁ কয় যে এই ভ্ৰমণকালত তেওঁলোকে চুড়াচান্দপুৰ আৰু বিষ্ণুপুৰৰ সাহায্য শিবিৰত আশ্ৰয় গ্ৰহণ কৰি থকা লোকসকলৰ সৈতে মত বিনিময় কৰি উপলব্ধি কৰিছে যে দুয়োটা সম্প্ৰদায়ৰ লোকসকলে সাম্প্ৰতিক পৰিস্থিতিৰ অৱসান ঘটাই শান্তিৰে বসবাস কৰাৰ বাবে ইচ্ছা প্ৰকাশ কৰিছে। একতা আৰু সাংবিধানিক উপায়ৰ জৰিয়তে স্বাভাৱিক অৱস্থা ঘুৰাই আনিব পৰা যায় বুলি তেওঁ মত প্ৰকাশ কৰে। দলটোৱে আজি তেওঁলোকৰ ভ্ৰমণ সামৰি চুড়াচান্দপুৰ জিলাত ভাৰ্চুৱেল পদ্ধতিৰে আইনী সেৱা, এটা চিকিৎসা শিবিৰ আৰু আইনী সাহায্য কেন্দ্ৰ মুকলি কৰে। ইতিমধ্যে কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সম্প্ৰতি অব্যাহত থকা শান্তি প্ৰচেষ্টাৰ বিষয়ে মত প্ৰকাশ কৰি কয় যে পৰিস্থিতি উন্নত হৈছে যদিও এই প্ৰগতি অব্যাহত থাকিব লাগিব। মণিপুৰত ৰাষ্ট্ৰপতি শাসন বলবৎ হোৱাৰ পাছত ৰাজ্যখনত শান্তি ওভতাই অনাৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে। মণিপুৰ উচ্চ ন্যায়ালয়ৰ দ্বাদশ বাৰ্ষিকী উদ্‌যাপন অনুষ্ঠানত ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ০০০০

০০০০০

দিল্লী বিধানসভাৰ বাজেট অধিবেশন কাইলৈ আৰম্ভ হ'ব। এই অধিবেশন অহা ২৮ মাৰ্চলৈ অব্যহত থকাৰ কথা। প্ৰয়োজনত এই সময়সীমা সম্প্ৰসাৰিত হ'ব পাৰে। এই অধিবেশনত কাইলৈ দিটিচিৰ কাম-কাজ সন্দৰ্ভত চি এ জি প্ৰতিবেদন উত্থাপন কৰা হ'ব। অহা মঙলবাৰে বাজেট উত্থাপন কৰা হোৱাৰ লগতে বছৰটোৰ বাবে চৰকাৰী পৰিকল্পনা আৰু বিত্তীয় অগ্ৰাধিকাৰৰ বিষয়সমূহ নিৰ্ধাৰণ কৰা হ'ব। অধিবেশনৰ সময়ছোৱাত মুখ্য বিত্তীয় তথা আঁচনি সম্পৰ্কীয় বিষয়সমূহ আলোচনা কৰা হোৱাৰ লগতে এই সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব। আইন প্ৰণেতাসকলে আঁচনি পদক্ষেপ তথা বিত্তীয় মঞ্জুৰী বিশ্লেষণ কৰাৰ বাবে অহা ২৬ মাৰ্চত বাজেট সন্দৰ্ভত সবিশেষ আলোচনা কৰিব।

ooooo

দক্ষিণ আফ্ৰিকাৰ ফিনিক্স ছেটেলমেণ্ট ট্ৰাষ্ট গান্ধী ডেভেলপমেণ্ট ট্ৰাষ্টে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় গান্ধী সংগ্ৰহালয়ক  মহাত্মা গান্ধীৰ সৈতে জড়িত হস্তনিৰ্মিত সামগ্ৰী তথা বিভিন্ন নথি অৰ্পন কৰাৰ সময়ত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ উপস্থিত থাকে। ড০ জয়শংকৰে এটা বাৰ্তাৰ জৰিয়তে কয়, যে মহাত্মা গান্ধীৰ জীৱন আৰু আদৰ্শই ভৱিষ্যত প্ৰজন্মসমূহকোক অনুপ্ৰাণিত কৰি ৰাখিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি মহাত্মা গান্ধীয়ে নিজ হাতে বোৱা কাপোৰকে ধৰি বিভিন্ন সামগ্ৰী ৰাষ্ট্ৰীয় গান্ধী সংগ্ৰহালয়ক হস্তান্তৰ কৰা হৈছে। মহাত্মা গান্ধী ১৮৯৩ চনত দক্ষিণ আফ্ৰিকাত উপস্থিত হোৱাৰ পাছত বহুদিন দাৰবানত থকাৰ লগতে ১৯০৪ চনত ফিনিক্স ছেটেলমেণ্ট নামৰ সংস্থাটো স্থাপন কৰিছিল। দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ সৈতে মহাত্মা গান্ধীৰ জীৱন আৰু ঐতিহ্য সংপৃক্ত হৈ থকাৰ পৰিপ্ৰেক্ষিতত গান্ধী ডেভেলপমেণ্ট ট্ৰাষ্ট আৰু ফিনিক্স ছেটেলমেণ্ট ট্ৰাষ্টে মহাত্মা গান্ধীৰ পৰিয়ালৰ কিছু সামগ্ৰী ভাৰতক প্ৰত্যাৰ্পন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ooooo

গাজিয়াবাদৰ হিন্দন বিমানবন্দৰৰ পৰা জম্মুলৈ বিমানসেৱা আজি আৰম্ভ হয়। হিন্দন বিমান বনন্দৰৰ পৰা জম্মুলৈ পুৱা চাৰে ন বজাত প্ৰথমখন বিমানে উৰণ আৰম্ভ কৰে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি এই পদক্ষেপৰ জৰিয়তে এতিয়া এন চি আৰৰ পৰা বৈষ্ণুদেৱী মন্দিৰলৈ যোৱাটো সহজ হৈ উঠিব। এতিয়াৰে পৰা জম্মুত উপস্থিত হোৱাৰ বাবে যাত্ৰীসকলে দিল্লী বিমান বন্দৰত যোৱাৰ প্ৰয়োজন নহ'ব। যাত্ৰীসকলে এন চি আৰৰ পৰা বিমানযাত্ৰাৰ অন্য এটা বিকল্প লাভ কৰিলে। জম্মুৰ পৰা হিন্দনলৈ অহা  বিমানে দুপৰীয়া এক বজাত উৰণ আৰম্ভ কৰি দিনৰ আঢ়ৈ বজাত হিন্দনত উপস্থিত হ'ব। এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছ সন্থাই গাজিয়াবাদৰ হিন্দন আৰু জম্মুৰ মাজত সপ্তাহত শনিবাৰৰ বাহিৰে আন ছটা দিনত বিমান সেৱাৰ ব্যৱস্থা কৰিছে। এই পদক্ষেপৰ জৰিয়তে যাত্ৰীসকলে দিনৰ চাৰে এঘাৰ বজাত জম্মুত উপস্থিত হোৱাৰ উপৰি দুপৰীয়া এক বজাত জম্মুৰ পৰা হিন্দনলৈ উভতনি যাত্ৰা কৰিব পাৰিব।

ooooo

দক্ষিণ কোৰিয়াৰ দক্ষিণ পূৱ অংশত বিধবংসী বনজুইত ৪ গৰাকী লোকে প্ৰাণ হেৰুৱাৰ লগতে ব্যাপক অঞ্চলত ধবংসলীলাৰ  সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত জৰুৰী ব্যৱস্থা ঘোষণা কৰা হৈছে। দেশখনৰ কেইবাটাও স্থানত সমান্তৰালকৈ বিধবংসী বনজুইয়ে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰাৰ লগে লগে আভ্যন্তৰীণ মন্ত্ৰালয়ে এই বিষয়ে ঘোষণা কৰে। কোৰিয়াৰ বনসেৱা বিভাগে বুশ্বান আৰু দয়েজিয়ান মহানগৰকে ধৰি ১২ খন স্থানক সৰ্বাধিক সতৰ্কিকৰণৰ আওতাত সামৰি লৈছে।  দেশখনৰ দক্ষিণ পূৱ দিশৰ কেইবাটাও ঘাইপথ জুইয়ে ছানি ধৰাৰ লগতে উলচান আৰু বুশ্বানৰ মাজৰ এটা অতি ব্যস্ত পথ বনজুইৰ বাবে বন্ধ কৰি ৰাখিবলগীয়া হৈছে। এই বনজুই নিয়ন্ত্ৰণৰ বাবে ইতিমধ্যে কেইবাখনো বাহন তথা কেইবাশ কৰ্মীক মোতায়েন কৰা হৈছে।

ooooo

গাজাৰ স্বাস্থ্য মন্ত্ৰালয়ে আজি ইজৰাইল আৰু হামাচৰ মাজৰ সংঘৰ্ষত ৫০ হাজাৰৰো অধিক পেলেষ্টাইনী লোক নিহত হোৱা বুলি প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে সদৰি কৰি এক লাখ ১৩ হাজাৰতকৈ অধিক লোক এই সংঘৰ্ষত আহত হৈছে। বিগত সপ্তাহত ইজৰাইলে অকস্মাত বিমান আক্ৰমণ আৰম্ভ কৰি যুদ্ধ  বিৰতিৰ অন্ত পেলোৱাৰ পাছত নিহত হোৱা ৬৭৩ গৰাকী লোককো ইয়াত সামৰি লোৱা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে অসামৰিক লোক তথা যুজাৰুসকলৰ পৃথক তথ্য প্ৰকাশ কৰা নাই।

ooooo

কৃত্ৰিম বুদ্ধিমত্তাৰ গৱেষক তথা পডকাষ্টাৰ লেক্স ফ্ৰীডমেনৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শেহতীয়া সাক্ষাৎকাৰটো বিভিন্ন ভাষাত উপলব্ধ হৈছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে ব্যাপক সংখ্যক শ্ৰোতাৰ বাবে এই সাক্ষাৎকাৰ উপলব্ধ কৰোৱাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

ooooo

চত্তিশগড়ৰ বিৰ্জাপুৰ জিলাত আজি দুগৰাকী মহিলাকে ধৰি ২২ গৰাকী নক্সালবাদীয়ে আত্মসমৰ্পন কৰে। এই নক্সালবাদীসকলৰ বাবে মুঠ এঘাৰ লাখ টকা ঘোষণা কৰা হৈছিল। ৰাজ্য চৰকাৰৰ বিশেষ আঁচনিৰ অধীনত আত্মসমৰ্পনকাৰী নক্সালবাদীসকলৰ প্ৰত্যেকক ২৫ হাজাৰ টকাকৈ উদগণিমূলক ধন প্ৰদান কৰা হৈছে।

ooooo

হায়দৰাবাদত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ দলটো কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ছানৰাইজাৰ্ছ হায়দৰাবাদে বান্ধি দিয়া ২৮৭ ৰানৰ লক্ষ্য অনুসৰণ কৰি ৰাজস্থান ৰয়েলছে বৰ্তমানলৈকে ১৭ অভাৰত ৫ টা উইকেট হেৰুৱাই  ১৯৫  ৰাণ সংগ্ৰহ কৰি খেলি আছে।

প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন খেলত কিছুসময় পাছত চেন্নাই ছুপাৰ কিংছ, মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি হ'ব।

ooooo

খেলো ইণ্ডিয়া পেৰা ক্ৰীড়া প্ৰতিযোগিতাত শ্যুটিং শিতানৰ দহ মিটাৰ এয়াৰ ৰাইফল প্ৰন মিক্সড এছ এইচ ৰানত সাগৰ বালাচাহেব কাটালে সোণৰ পদক অৰ্জন কৰিছে। নতুন দিল্লীৰ ড০ কাৰ্ণি সিং শ্যুটিং ৰেঞ্জত অনুষ্ঠিত প্ৰতিযোগিতাখনত মনা আগৰৱালে ৰূপৰ পদক অৰ্জন কৰাৰ লগতে দীপক চাইনীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আকাশবাণী বাতৰি বিভাগৰ সৈতে হোৱা কথা বতৰাত মনা আগৰৱালে কয় যে এই প্ৰতিযোগিতাই দেশজুৰি যুৱ তথা উদীয়মান প্ৰতিভাক চিনাক্ত কৰি আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। প্ৰত্যাশী খেলুৱৈসকলক ধৈৰ্য্যৰ সৈতে খেল অব্যাহত ৰাখি তেওঁলোকৰ ক্ৰীড়া দক্ষতা উন্নীত কৰাৰ বাবে নিষ্ঠা প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। পেৰা অলিম্পিকত সোণৰ পদক অৰ্জন কৰা অবনি লেখাৰাই মহিলাৰ দহ মিটাৰ এয়াৰ ৰাইফল ষ্টেণ্ডিং এছ এইচ ৰান শিতানত শীৰ্ষ স্থান দখল কৰে। আনহাতে প্ৰতিযোগিতাত মনা আগৰৱালে ৰূপৰ পদক অৰ্জন কৰাৰ লগতে আকাংক্ষাই ব্ৰঞ্জৰ পদক দখল কৰে।

খেলো ইণ্ডিয়া পেৰা ক্ৰীড়া প্ৰতিযোগিতাত শ্যুটাৰ তথা পেৰা আৰ্ছাৰসকলে আজি বিশেষ দক্ষতা প্ৰদৰ্শন কৰে। ড০ কাৰ্ণি সিং শ্যুটিং ৰেঞ্জত আয়োজিত প্ৰতিযোগিতাত সুমেধা পাঠকে মহিলাৰ দহ মিটাৰ এয়াৰ পিষ্টল এছ এইচ ৰান শাখাত সোণৰ পদক অৰ্জন কৰে। ৰুবিনা ফ্ৰেন্সিছে ৰূপৰ পদক অৰ্জন কৰাৰ লগতে অমিতা কুমাৰীয়ে ব্ৰঞ্জৰ পদক দখল কৰে। আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত ৰুবিনা ফ্ৰেন্সিছে তেওঁৰ ক্ৰীড়াৰ যাত্ৰাত চৰকাৰী আঁচনিৰ

গুৰুত্বপূৰ্ণ প্ৰভাৱৰ ওপৰত আলোকপাত কৰে। জে এল এন ষ্টেডিয়ামত সমাপ্ত হোৱা পেৰা আৰ্চাৰী প্ৰতিযোগিতাত পেৰা অলিম্পিকত পদক বিজেতা শীতল দেৱীয়ে মহিলাৰ কম্পাউণ্ড অ'পেন শিতানত সোণৰ পদক দখল কৰাৰ লগতে পায়েল নাগে ৰূপৰ আৰু জ্যোতিয়ে ব্ৰঞ্জৰ পদক দখল কৰে। পুৰুষৰ কম্পাউণ্ড অ'পেন শিতানত শ্যাম সুন্দৰ স্বামীয়ে সোণৰ, তোমন কুমাৰে ৰূপৰ আৰু ৰাকেশ কুমাৰে ব্ৰঞ্জৰ পদক দখল কৰে।

oooo

**ঃঃ সমাপ্ত ঃঃ**